নং ঃ ৮/২০২১

# ঈদ-উল-ফিতৰ উপলক্ষে মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**দিছপুৰ, ১৩ মে' ঃ** ঈদ-উল-ফিতৰ উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ লগতে সমূহ অসমবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

আজি এক বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ঈদ-উল-ফিতৰ হ'ল ইছলাম ধৰ্মাৱলম্বী জনসাধাৰণৰ এক অতি পৱিত্ৰ উৎসৱ। ঈদ-উল-ফিতৰ উৎসৱে আমাক ত্যাগ, কৰুণা, মানৱ প্ৰেম আৰু ভাতৃত্ববোধৰ মহান অনুভূতিৰে উদ্বুদ্ধ কৰে। ঈদ-উল-ফিতৰ পালনৰ জৰিয়তে জনসাধাৰণৰ মাজত বৰ্তি থকা প্ৰেম, ভাতৃত্ববোধৰ বান্ধোন অধিক সুদৃঢ় হোৱাৰ উপৰি পাৰস্পৰিক বুজাবুজিৰে মানৱ কল্যাণৰ হকে কাম কৰিবলৈ সকলোকে অনুপ্ৰাণিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

**বঃভাঃ / পুঃডেঃ**
**১৩/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in